অধ্যায় ১৪ ঃ শংকৰোত্তৰ যুগৰ সাহিত্য — ২

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য

১৪.২ পৰিচয়

১৪.৩ শংকৰোত্তৰ যুগৰ সাহিত্য

১৪.৩.১ নাট্য সাহিত্য

১৪.৩.২ কাব্য সাহিত্য

১৪.৩.৩ ব্যৱহাৰিক সাহিত্য

১৪.৩.৪ অন্যান্য সাহিত্য

১৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৪.৫ অধিক জানিবলৈ

১৪.৬ অগ্রগতিৰ খতিয়ান

১৪.৭ আৰ্হি প্ৰশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- শংকৰোত্তৰ যুগৰ কাব্য আৰু নাটৰ পৰিচয় লাভ কৰিব।
- শংকৰোত্তৰ যুগত আৰম্ভ হোৱা ব্যৱহাৰিক সাহিত্য সম্পৰ্কে জানিব পাৰিব
- শংকৰোত্তৰ যুগত ৰচিত অন্যান্য সাহিত্যৰাজিৰ বিষয়ে চমু আভাস লাভ কৰিব।

১৪.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি শংকৰোত্তৰ যুগৰ সাহিত্য মানে কি সেই সম্পৰ্কে অৱগত হোৱাৰ লগতে সেই সময়ছোৱাত ৰচিত চৰিত সাহিত্য আৰু বুৰঞ্জী সাহিত্য সম্পৰ্কে বহলাই অধ্যয়ন কৰিলে। সেই অধ্যায়তে আমি উল্লেখ কৰি আহিছোঁ যে শংকৰোত্তৰ কালত নাট্য সাহিত্য আৰু কাব্য সাহিত্যৰ বহুল পৰিমাণে সৃষ্টি হৈছিল। আনহাতে ব্যৱহাৰিক সাহিত্য নামেৰে আন এক নব্য সাহিত্য ধাৰাৰো উদ্ভৱ হৈছিল। উল্লেখযোগ্য যে এই সময়ছোৱাত এইকেইবিধ সাহিত্য ধাৰাৰ উপৰি অন্যান্য বিবিধ ধাৰাৰ সাহিত্যও সৃষ্টি হৈছিল। যেনে — চুফী সাহিত্য, তান্ত্ৰিক আৰু শাক্ত সাহিত্য, গীত ইত্যাদি।

এই অধ্যায়টোত আমি সেইবোৰ সাহিত্যৰ বিষয়ে বহলাই আলোচনা কৰিম। অধ্যায়টোৰ অধ্যয়নে আপোনাক শংকৰোত্তৰ কালৰ সাহিত্যৰ বিষয়ে সম্পূৰ্ণ পৰিচয় দাঙি ধৰিব।

১৪.৩ শংকৰোত্তৰ যুগৰ সাহিত্য

ইতিমধ্যেই আমি উল্লেখ কৰি আহিছোঁ যে অসমীয়া সাহিত্যৰ আহোম যুগ বা শংকৰোত্তৰ যুগৰ দুটি বিশিষ্ট দান হ'ল বুৰঞ্জী আৰু চৰিত পুথিসমূহ। ঠিক সেইদৰে নাট্য সাহিত্য, কাব্য সাহিত্য আৰু ব্যৱহাৰিক জীৱনৰ লগত সম্পৰ্কিত বিভিন্ন ৰচনাও এই সময়ছোৱাত লিপিবদ্ধ কৰা হৈছিল। সেই সাহিত্য শ্ৰেণীক ব্যৱহাৰিক সাহিত্য বুলি অভিহিত কৰা হৈছে। তলত এই বিষয়ে বহলাই আলোচনা দাঙি ধৰা হ'ল।

১৪.৩.১ নাট্য সাহিত্য

শংকৰোত্তৰ যুগৰ নাট বুলিলে সাধাৰণতে শংকৰদেৱ-মাধৱদেৱৰ পাছৰ যুগত তেওঁলোকৰ নাট ৰচনাৰ আৰ্হিকে সাৰোগত কৰি ৰচনা কৰা নাটসমূহকে বুজায়। এই নাটসমূহৰ ৰচনাকালৰ কথা বিচাৰি গ'লে ক'ব লাগিব যে মাধৱদেৱৰ মৃত্যুৰ পাছৰ পৰা, অর্থাৎ সপ্তদশ-অষ্টাদশ আৰু ঊনবিংশ শতিকা— এই তিনিশ বছৰ কালত অসমৰ বিভিন্ন স্থানত শংকৰদেৱ-মাধৱদেৱৰ আৰ্হিকে লৈ যিবোৰ নাট ৰচিত আৰু অভিনীত হৈছিল, সেইবোৰেই শংকৰোত্তৰ কালৰ নাট। এই সময়ছোৱাত অসমৰ বিভিন্ন স্থানত অসংখ্য সত্ৰ প্ৰতিষ্ঠা হয় আৰু গাঁওসমূহতো অসংখ্য নামঘৰ স্থাপন হয়। এই সত্ৰ আৰু নামঘৰসমূহ নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ, প্ৰসাৰ আৰু বিকাশৰ কেন্দ্ৰ হৈ পৰিল। আনহাতে, জনসাধাৰণক সেই ধৰ্মৰ প্ৰতি আকৰ্ষিত কৰিবলৈ বৈষ্ণৱ ধৰ্ম প্ৰচাৰকসকলে নাটৰ ৰচনা আৰু অভিনয়ক প্ৰধান উপায় স্বৰূপে গ্ৰহণ কৰিছিল। এইদৰে শংকৰোত্তৰ যুগৰ নাটসমূহ ৰচিত হৈছিল। আকৌ, সন্ত-মহন্তসকলৰ তিথি-মহোৎসৱ, জন্মাষ্টমী, দৌলযাত্ৰা আদি নানান ধৰ্মীয় অনুষ্ঠানতো অভিনয় কৰিবলৈ নাট ৰচনা কৰাৰ প্ৰয়োজন হৈ পৰে। তেনেদৰে কোনো সত্ৰাধিকাৰে আনুষ্ঠানিকভাৱে সত্ৰাধিকাৰ বাব পোৱাৰ লগে লগেও একোখন নাট ৰচনা আৰু সেই নাটৰ অভিনয় কৰি নিজৰ নাট্যাভিনয়ৰ পৰিচয় দিব লগাত পৰিছিল। এনেবোৰ কাৰণতে, শংকৰোত্তৰ যুগত যথেষ্ট পৰিমাণে নতুন নাটৰ ৰচনা হ'বলৈ ধৰে। শংকৰোত্তৰ যুগৰ নাটসমূহৰ গুণগত দিশত যথেষ্ট পৰিৱৰ্তন ঘটে। নাট্যকাৰসকলৰ প্ৰতিভাৰ অভাৱৰ কাৰণেই হওক বা অন্য কাৰণতেই হওক এই পৰিৱৰ্তন চকুত পৰা বিধৰ। নাটৰ বিষয়বস্তুৰ আধাৰ গ্ৰন্থ সলনি হোৱাৰ লগতে কলা-কৌশলগত দিশতো পূৰ্বৰ নানা বৈশিষ্ট্য পৰিহাৰ কৰা হ'ল। শংকৰোত্তৰ যুগৰ নাটসমূহত পৰিলক্ষিত হোৱা প্ৰধান বৈশিষ্ট্যবোৰ এনেধৰণৰ—

- নাটৰ বিষয়বস্তু চয়নৰ ক্ষেত্ৰত *ভাগৱতৰ* কাহিনীৰ উপৰি *ৰামায়ণ, মহাভাৰতৰ* কাহিনীৰ লগতে বধকাব্যৰ কাহিনীসমূহেও এই যুগৰ নাট্যকাৰসকলক বিশেষভাৱে আকৰ্ষিত কৰে।

- কলা-কৌশলৰ ক্ষেত্ৰতো— নান্দী শ্লোক, মুক্তিমংগল ভটিমা আৰু অন্যান্য সংস্কৃত শ্লোকৰ প্ৰাধান্য হ্ৰাস পায়। অৱশ্যে, ইয়াৰ মূলতেই শংকৰোত্তৰ যুগৰ নাট্যকাৰসকলৰ কাব্য প্ৰতিভাৰ অভাৱ।
- ভাব আৰু আদৰ্শৰ ক্ষেত্ৰতো শংকৰোত্তৰ নাটকবোৰত ধৰ্মীয় ভাবৰ প্ৰভাৱ হ্ৰাস পায়, দৰ্শক বা জনসাধাৰণৰ সস্তীয়া মনোৰঞ্জনৰ প্ৰতিহে অধিক গুৰুত্ব দিয়াৰ বাবে সাধাৰণ আমোদজনক কাহিনীয়ে প্ৰাধান্য লাভ কৰিবলৈ ধৰে, লগতে 'বহুৰা' আদি চৰিত্ৰৰ সৃষ্টি কৰি লৌকিক ৰস পৰিবেশনৰ চেষ্টা চলে।
- প্ৰাক্-শংকৰী আৰু শংকৰী যুগৰ কবিসকলৰ পদ ৰচনাৰ স্পষ্ট প্ৰভাৱ তথা বহু ক্ষেত্ৰত তেওঁলোকৰ বিভিন্ন পদ পোনে পোনে নাটসমূহত ব্যৱহাৰ হোৱা দেখা যায়।
- চৰিত্ৰ -চিত্ৰণৰ ক্ষেত্ৰতো শংকৰোত্তৰ নাটবোৰত মৌলিকতাহীনতাই দেখা দিয়ে। এনে নাটকসমূহত ব্ৰজাৱলী ভাষাৰ প্ৰভাৱ হ্ৰাস পোৱাটো পৰিলক্ষিত হয়। বহুসময়ত এইবোৰত পুৰণি অসমীয়া ভাষাৰ প্ৰয়োগ হোৱা দেখা যায়। আনহাতে, নাটকৰ গীতসমূহো ব্ৰজাৱলীৰ পৰিৱৰ্তে অসমীয়া ভাষাত ৰচনা কৰা হৈছে। কেতিয়াবা আকৌ নাটকৰ মাজৰ এনে গীতত শংকৰদেৱ বা মাধৱদেৱৰ গীত একেটিকে থাপি দিয়া হৈছে।
- শংকৰোত্তৰ নাটবোৰত বিলাপ-বিননি আদিৰো মাত্ৰা বৃদ্ধি হ'বলৈ ধৰে। ইত্যাদি।

মাধৱদেৱে প্ৰতিষ্ঠা কৰি যোৱা বাৰজন ধৰ্মাচাৰ্যৰ ভিতৰত গোপালদেৱ বা ভৱানীপুৰীয়া গোপাল আতা অন্যতম। এওঁৰ দ্বাৰা ৰচিত *জন্মযাত্ৰা, নন্দোৎসৱ* আৰু *উদ্ধৱযান*— এই তিনিখন শংকৰোত্তৰ যুগৰ উল্লেখযোগ্য নাট। *জন্মযাত্ৰা* আৰু *নন্দোৎসৱক* দুখন সুকীয়া নাটৰূপে গণ্য নকৰি একেখন নাটৰে দুটা খণ্ড বুলিও ধৰিব পাৰি। নাট দুখনৰ ৰচনাত নাট্যকাৰ শংকৰদেৱৰ *দশমৰদ্বাৰা* প্ৰভূতভাৱে প্ৰভাৱান্বিত হৈছে। ইয়াত নান্দী শ্লোক আৰু ভটিমা পৰিহৃত হৈছে। সেইদৰে, *উদ্ধৱযান* নাটখনিতো শংকৰদেৱৰ *গোপীউদ্ধৱ সংবাদ*ৰ প্ৰভাৱ দেখা যায়।

সেইদৰে, মাধৱদেৱৰ ভাগিন ৰামচৰণ ঠাকুৰৰ দ্বাৰা ৰচিত *কংসবধ* শংকৰোত্তৰ যুগৰ এখন উল্লেখযোগ্য নাট। ইয়াত নাট্যকাৰে অংকীয়া নাটৰ প্ৰায় আটাইবোৰ লক্ষণেই নিখুঁতভাৱে অনুকৰণ কৰিছে। এওঁৰেই পুত্ৰ দৈত্যাৰি ঠাকুৰ ৰচিত *নৃসিংহ যাত্ৰা* আৰু *স্যমন্তক হৰণ* নাটত নান্দী শ্লোক সন্নিৱিষ্ট হৈছে। কাহিনীভাগ *ভাগৱতৰ* পৰা অনা হ'লেও *কীৰ্ত্তনৰ* 'প্ৰহ্লাদ চৰিত' আৰু 'স্যমন্তক হৰণ' পদৰ প্ৰভাৱ ইয়াত লক্ষ্য কৰা যায়। দৈত্যাৰি ঠাকুৰৰ সমসাময়িক দ্বিজ ভূষণৰ *অজামিল উপাখ্যান* এখনি উল্লেখযোগ্য শংকৰোত্তৰ নাট। এই নাটখনৰ অন্যান্য গীতবোৰৰ লগতে আৰম্ভণিৰ ভটিমাটোও অসমীয়াত ৰচনা কৰা হৈছে আৰু মুক্তিমংগল ভটিমা পৰিহাৰ কৰা হৈছে।

শ্ৰীৰাম আতাৰ *সুভদ্ৰ হৰণ* এখনি উল্লেখযোগ্য শংকৰোত্তৰ নাট। এই নাটখনি

মহাপুৰুষ শংকৰদেৱৰ *ৰুক্মিণী-হৰণ* নাটৰ আদর্শত ৰচনা কৰা। ইয়াত নান্দী শ্লোক, প্রাৰম্ভিক ভটিমা আৰু অন্যান্য সংস্কৃত শ্লোক আদিৰ প্রয়োগ আছে। সেইদৰে লক্ষ্মীনাথ দাসৰ *কুমৰ হৰণ* আন এখনি উল্লেখযোগ্য নাট। শংকৰোত্তৰ যুগৰ এই নাটখনিৰ ৰচনা আৰু ভাওনা অনুষ্ঠিত কৰাৰ ক্ষেত্রত আহোম ৰজা চন্দ্রকান্ত সিংহৰ অৱদান আছিল বুলি নাটৰ শেষত থকা ভটিমাটিত পোৱা যায়।

চন্দ্রকান্ত ৰাজা নৃপতি প্রধান।
কৰাৱত শুহি নাট নিৰমান।।

এই নাটখনিৰ গঠনৰীতিত দুই-এটা নতুন বৈশিষ্ট্যই প্রকাশ লাভ কৰিছে যদিও শংকৰদেৱৰ অংকীয়া নাটৰ আৰ্হিও ইয়াত ভালেখিনি সংৰক্ষিত হৈছে।

এইবোৰৰ উপৰি যদুমণিদেৱৰ *ফল্গুযাত্রা*; দীন গোপালদেৱৰ *সীতাহৰণ;* কৃষ্ণদাসৰ *ৰত্নবাহন;* পূর্ণকান্ত মহন্তৰ *লংকাদহন, হৰিশ্চন্দ্র উপাখ্যান, সিন্ধুযাত্রা* আদিও কেইখনমান শংকৰোত্তৰ যুগৰ উল্লেখযোগ্য নাট।

মন কৰিবলগীয়া কথাটো হ'ল এয়ে যে শংকৰদেৱ-মাধৱদেৱে যি অংকীয়া নাট বা ঝুমুৰা ৰচনা কৰি থৈ গৈছে, সেইবোৰতকৈ শংকৰোত্তৰ যুগৰ নাটখিনিৰ মান তুলনামূলকভাৱে নিম্ন। অৱশ্যে, ইয়াৰ কেতবোৰ কাৰণো নথকা নহয়। এই কাৰণবোৰৰ ভিতৰত প্রথমে ক'ব লাগিব অপৈণত নাট্যকাৰ কিছুমানে কেৱল সত্রৰ অধিকাৰ হোৱা বাবেই বা কোনোবা মহাপুৰুষৰ তিথি উপলক্ষে নাট মেলাৰ উদ্দেশ্যে নিজাকৈ নাট ৰচনা কৰিব লগাত পৰিছিল। য'ত তেওঁলোকৰ প্রতিভাৰ কোনো দৃষ্টান্ত পৰিদৃষ্ট হোৱা নাছিল। তদুপৰি সংস্কৃত শ্লোকৰ গতানুগতিকতা; অর্থাৎ প্ররেশৰ শ্লোকবোৰ প্রায় একেধৰণৰ হৈ পৰিছিল। মহাপুৰুষ দুজনাৰ নাটত শ্লোক থকা কাৰণেই জনাই-নজনাই শ্লোক সংযোগৰ ব্যর্থ প্রয়াস কৰা হৈছিল। অৱশ্যে, ইয়াৰ মাজতো কিছু নাট ব্যতিক্রমো নোহোৱা নহয়। সেয়া হ'লেও, শংকৰোত্তৰ যুগত যথেষ্ট সংখ্যক নাট ৰচিত হৈছে আৰু এই নাটসমূহে অসমীয়া সাহিত্যৰ বুৰঞ্জীত এক সুকীয়া আসন লাভ কৰিবলৈ সক্ষম হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ খালি ঠাই পূৰণ কৰক—

(ক) শংকৰোত্তৰ কালত ৰচিত নাটসমূহত অংকীয়া নাটৰ গুণগত মান ৰক্ষিত .....।

(খ) শংকৰোত্তৰ কালৰ নাটসমূহত নান্দী শ্লোক, মুক্তিমংগল ভটিমা, সংস্কৃত শ্লোক তথা ..... ভাষাৰ প্রয়োগ হ্রাস পায়।

(গ) শংকৰোত্তৰ নাটসমূহৰ ভিতৰত ..... নাটখনত শংকৰদেৱৰ নাটৰ আটাইবোৰ লক্ষণেই নিখুঁতভাৱে পোৱা যায়।

(ঘ) *নৃসিংহ যাত্রা* আৰু *স্যমন্তক হৰণ* নাট দুখনিৰ ৰচয়িতা হ'ল .....।

প্ৰশ্ন নং ২ ঃ শংকৰোত্তৰ নাটৰ কেইটিমান উল্লেখযোগ্য বৈশিষ্ট্য উল্লেখ কৰক। (৬০ টা শব্দৰ ভিতৰত।)

.....

.....

.....

.....

.....

.....

১৪.৩.২ কাব্য সাহিত্য

শংকৰোত্তৰ যুগৰ কবিসকলে *মহাভাৰত, ৰামায়ণ, ভাগৱত* আৰু অন্যান্য পুৰাণৰ আংশিক অনুবাদৰ লগতে তাৰ আধাৰত নানান কাব্য ৰচনা কৰে। পুৰণি অসমীয়া সাহিত্যৰ লগতে আধুনিক অসমীয়া সাহিত্যতো *মহাভাৰত, ৰামায়ণ* আৰু *ভাগৱত পুৰাণ* — এই তিনিখন মহাগ্ৰন্থৰ প্ৰভাৱ অপৰিসীম। এইবোৰৰ কাহিনী অসমীয়া কবিৰ ইমান আদৰৰ যে বিভিন্ন সময়ত বিভিন্ন কবিয়ে সেই কাব্যকেইখনৰ আখ্যানসমূহৰ আধাৰত ভিন্ ভিন্ কাব্য, নাট আদি ৰচনা কৰিছে।

মহাভাৰতৰ আধাৰত শংকৰোত্তৰ যুগৰ অনেক কবিয়ে বহুতো কাব্য ৰচনা কৰিছে। *মহাভাৰতৰ* কথাবস্তুক লৈ ৰচনা কৰা কাহিনী কাব্যবোৰৰ ভিতৰত ১৮ শ শতিকাৰ সাগৰখৰি দৈৱজ্ঞই ৰাম সৰস্বতীৰ বধকাব্যৰ আদৰ্শত ৰচনা কৰা *কুৰ্মাৱলী যুদ্ধ* এখন উল্লেখযোগ্য কাব্য। সেইদৰে বিদ্যাপঞ্চাননে ভীষ্মপৰ্বৰ পৰা কাহিনী লৈ *অম্বা-চৰিত* লিখে। শিষ্ট ভট্টাচাৰ্যই *মহাভাৰতৰ* সভাপৰ্বৰ কাহিনী লৈ *শিশুপাল-বধ* নামেৰে এখন কাব্য ৰচনা কৰে। এই কাব্য মতে যুধিষ্ঠিৰে ৰাজসূয়-যজ্ঞত কৃষ্ণক প্ৰথমে মান জনোৱাত শিশুপালে ঈৰ্ষাপৰায়ণ হৈ কৃষ্ণক নানা প্ৰকাৰে নিন্দা কৰে। তেতিয়া কৃষ্ণই সুদৰ্শন চক্ৰেৰে শিশুপালক বধ কৰে। মূল বিৱৰণ *মহাভাৰতৰ* হ'লেও কবিয়ে গাঁৱলীয়া পটভূমিত থাপি কাব্যখনি হাস্যোদ্দীপক আৰু আকৰ্ষণীয় কৰি তুলিছে। একেদৰে, বিষ্ণুৰাম দ্বিজৰ *দাতাকৰ্ণ,* শ্ৰীনাথ দ্বিজৰ *দ্ৰৌপদী স্বয়ম্বৰ,* শুভনাথ দ্বিজৰ *ধৰ্ম-সংবাদ,* নাৰায়ণ দাসৰ *অৰ্জুন-সংবাদ* আৰু আহোম ৰাজসভাৰ কবি কবিৰাজ চক্ৰৱৰ্তীৰ *শকুন্তলা কাব্য* আদি *মহাভাৰতৰ* আধাৰত শংকৰোত্তৰ যুগত ৰচিত বিশিষ্ট কাব্য।

মহাভাৰতৰ দৰে *ৰামায়ণৰ* প্ৰভাৱো অসমীয়া সাহিত্যত কম নহয়। প্ৰাক্-শংকৰী যুগৰ পৰা আধুনিক যুগলৈকে *ৰামায়ণৰ* প্ৰভাৱযুক্ত অনেক সাহিত্য ৰচিত হৈছে। শংকৰোত্তৰ যুগৰ ৰামায়ণী কবিসকলৰ ভিতৰত আহোম ৰজাসভাৰ কবি ৰঘুনাথ মহন্তৰ স্থান প্ৰথম শাৰীত। এওঁ অষ্টাদশ শতিকাৰ প্ৰথমাৰ্ধৰ কবি। সংস্কৃতজ্ঞ পণ্ডিত ৰঘুনাথ

মহন্তৰ ভণিতাযুক্ত *ৰামায়ণ*ৰ কথাবস্তুৰে *শত্রুঞ্জয়* আৰু *কথা ৰামায়ণ* নামৰ দুখন কাব্য পোৱা যায়। ইয়াৰে *শত্রুঞ্জয়* কাব্যত বানৰ ৰাজ বালীৰ দিগ্বিজয়ৰ কাহিনী বৰ্ণনা কৰা হৈছে। ৰঘুনাথ মহন্তৰ আগতে কোনো ভাৰতীয় সাহিত্যত গদ্যত *ৰামায়ণ* ৰচনা হোৱা বুলি শুনা নাযায়। ৰঘুনাথ মহন্তৰ *কথা-ৰামায়ণ*ৰ আধাৰ গ্ৰন্থ মাধৱ কন্দলীৰ *ৰামায়ণ*। ৰচনাৰ সময় শক ১৭০৩ (ইং ১৭৮১)। এইখন গ্ৰন্থ ৰঘুনাথ মহন্তৰ শেষ বয়সৰ ৰচনা। সাহিত্য আলোচকসকলে এইখনকে তেওঁৰ শ্ৰেষ্ঠ কৃতিৰূপে আখ্যা দিয়ে। অৱশ্যে এই *ৰামায়ণ*খনো অসম্পূৰ্ণ, কেৱল প্ৰথম চাৰিটা কাণ্ডহে আছে। সত্যেন্দ্ৰনাথ শৰ্মাৰ দৃষ্টিত অসম্পূৰ্ণ হ'লেও বৰ্ণনাৰ সংযম আৰু গাম্ভীৰ্যই, ভক্তিভাবৰ গাঢ়তাই আৰু সৰস গদ্যভঙ্গীয়ে ৰঘুনাথ মহন্তৰ *কথা-ৰামায়ণ*ক অসমীয়া সাহিত্যত এক বিশেষ স্থান প্ৰদান কৰিছে। মন কৰিবলগীয়া যে মাধৱ কন্দলীৰ *ৰামায়ণ*ৰ আধাৰত ৰচনা কৰা এই *কথা-ৰামায়ণ*ত ৰঘুনাথ মহন্তই বহুত অংশত মাধৱ কন্দলীৰ বৰ্ণনাকে গদ্য ৰূপত উপস্থাপন কৰিছে। তেওঁৰ এই ৰচনা মহাপুৰুষ শংকৰদেৱৰ *ৰাম-বিজয়* নাটৰ অংশবিশেষৰ দ্বাৰাও প্ৰভাৱিত। *কথা-ৰামায়ণ*ৰ প্ৰথম তিনিটা কাণ্ডৰ ভাষাত ব্ৰজাৱলী শব্দৰূপ আৰু ক্ৰিয়াৰূপৰ বহুল প্ৰয়োগ ঘটিছে। গদ্যৰ ঠাঁচ ভট্টদেৱৰ গদ্য ঠাঁচৰ অনুৰূপ, কিন্তু ভট্টদেৱতকৈ কিছু সৰল।

সেইদৰে, গংগাৰাম দাসে উত্তৰাকাণ্ডৰ অন্তৰ্গত *সীতাৰ বনবাস* নামৰ এখন কাব্য ৰচনা কৰে। কাব্যখনত ৰামৰদ্বাৰা সীতাৰ বনবাস, বাল্মীকিৰ আশ্ৰমত লৱ-কুশৰ জন্ম, অশ্বমেধ যজ্ঞৰ কালত লৱ-কুশৰ হাতৰ ৰাম-লক্ষ্মণৰ পৰাজয়ৰ বৰ্ণনা আছে। ই এখন জনপ্ৰিয় কাব্য। এওঁৰ নামত *সীতাৰ পাতাল প্ৰৱেশ* বা *পাতালী-কাণ্ড* নামৰ আন এখন কাব্যও পোৱা যায়। ইয়াৰ উপৰি শংকৰী যুগৰ পৰৱৰ্তী কোনোবা এজন ৰাম সৰস্বতীৰ ভণিতাযুক্ত *লক্ষ্মণৰ শক্তিশেল*, ধনঞ্জয় কবিৰ *গণক চৰিত্ৰ* বা *মন্দোদৰীৰ মণিহৰণ*, ভৱদেৱ বিপ্ৰৰ *নাগাক্ষযুদ্ধ* আদি *ৰামায়ণ*ৰ কাহিনী আৰু চৰিত্ৰকলৈ ৰচিত কেইখনমান উল্লেখযোগ্য কাব্য।



জানি থোৱা ভাল

খ্ৰীষ্টীয় অষ্টাদশ শতিকাৰ আদিভাগত জন্ম লাভ কৰা ৰঘুনাথ মহন্তৰ দ্বাৰা ৰচিত শ্ৰেষ্ঠ গ্ৰন্থখনি হৈছে *কথা-ৰামায়ণ*। গদ্যত ৰচনা কৰা ৰামায়ণ হিচাপে সমগ্ৰ উত্তৰ ভাৰতীয় সাহিত্যতে ৰঘুনাথ মহন্তৰ *কথা-ৰামায়ণ*ৰ স্থান লেখত ল'বলগীয়া।

মন কৰিবলগীয়া যে শংকৰদেৱৰ সময়ৰেপৰা সুদীৰ্ঘকাল পুৰণি অসমীয়া কবিসকলে *ভাগৱত পুৰাণ*ৰ মাজতে অধিক বিচৰণ কৰা দেখা যায়। কিন্তু শংকৰোত্তৰ যুগত অৰ্থাৎ অষ্টাদশ-ঊনবিংশ শতিকাত কবিসকলে *ব্ৰহ্মবৈৱৰ্ত পুৰাণ, ধৰ্ম পুৰাণ,*

নাৰদীয় পুৰাণ, পদ্ম পুৰাণ, কল্কি পুৰাণ আদি বিভিন্ন পুৰাণৰ পৰাও পদ কৰিবলৈ লয়। এই সময়ছোৱাত এই পুৰাণসমূহৰ পদৰ ভাঙনিহে বেছিকৈ হ'বলৈ ধৰে; কিন্তু ইয়াৰ আধাৰত ৰচিত কাব্যৰ সংখ্যা অতি কম। আহোম ৰাজসভাৰ শ্ৰেষ্ঠ কবি কবিৰাজ চক্ৰৱৰ্তীয়ে *ব্ৰহ্মবৈৱৰ্ত পুৰাণ*ৰ বিষয়বস্তুৰ পৰা *শংখচূড় বধ* নামৰ এখন কাব্য ৰচনা কৰে। ইয়াত দানৱৰাজ শংখচূড়ৰ লগত সতী তুলসীৰ প্ৰণয় কাহিনী, বিবাহ, শংখচূড়ৰ মৃত্যু আৰু বৈকুণ্ঠত তুলসীৰ কৃষ্ণক স্বামী হিচাপে লাভ কৰাৰ বিৱৰণ আছে। তেনেদৰে, দ্বিজবৰ বা দীন দ্বিজৰ দ্বাৰা ৰচিত এখনি মনোৰম কাব্য হ'ল *পদ্মপুৰাণ*ৰ কাহিনীৰ অন্তৰ্গত *মাধৱ সুলোচনা*। এই কাব্যখনত ত্ৰিবিক্ৰম ৰজাৰ পুতেক মাধৱ আৰু সুলোচনা নামৰ এগৰাকী কন্যাৰ প্ৰণয় কাহিনী আছে। দ্বিজ বিশ্বেশ্বৰে স্কন্ধ *পুৰাণ*ৰপৰা কাহিনী লৈ *শ্ৰীশ্ৰী সত্য-নাৰায়ণদেৱৰ পাঁচালি* লিখে।

তদুপৰি, শংকৰোত্তৰ যুগত অন্যান্য কাব্য কিছুমানো ৰচিত হয়; যিবোৰ বিভিন্ন বিষয়ক ভিত্তি কৰি ৰচিত। ৰজা শিৱসিংহ আৰু ৰাণী ফুলেশ্বৰীৰ পৃষ্ঠপোষকতাত অনন্ত আচাৰ্যই *আনন্দ লহৰী* নামেৰে এখন উল্লেখযোগ্য গ্ৰন্থ ৰচনা কৰে। ৰাজেশ্বৰ সিংহৰ দিনত ৰুচিনাথ কন্দলীয়ে *মাৰ্কণ্ডেয় চণ্ডী* ৰচনা কৰে। ৰমানন্দ দ্বিজৰ *মহামোহ কাব্য* সংস্কৃত *প্ৰবোধচন্দ্ৰোদয়*ৰ ভেটিত ৰচিত এখনি কাব্য। সেইদৰে, ৰামমিশ্ৰৰ *পুতলা চৰিত্ৰ* আৰু *বৃন্দাবন চৰিত্ৰ* এই সময়ৰে দুখনি উল্লেখযোগ্য পুথি। তেনেদৰে ৰামচন্দ্ৰ ৰৰপাত্ৰৰ *যোগিনী-তন্ত্ৰ* পুথিত হাজোৰ হয়গ্ৰীৱ-মাধৱ তীৰ্থক্ষেত্ৰৰ সুন্দৰ বিৱৰণ পোৱা যায়।

শংকৰোত্তৰ যুগত বিভিন্ন উৎসক কেন্দ্ৰ কৰি অনেক কাব্য ৰচিত হৈছে আৰু এই কাব্যসমূহে অসমীয়া সাহিত্যৰ বুৰঞ্জীত এক বিশেষ স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ তলৰ কোনখন পুথি ৰঘুনাথ মহন্তই ৰচনা কৰা নাই—

(ক) কথা ৰামায়ণ *(খ) শত্ৰুঞ্জয়*

(গ) অদ্ভুত ৰামায়ণ *(ঘ) সীতাৰ বনবাস*

.....

প্ৰশ্ন নং ৪ ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক—

(ক) সাগৰখৰি দৈৱজ্ঞই ৰচনা কৰা কাব্যখনৰ নাম *কুমাৰলী যুদ্ধ*।

(খ) *শকুন্তলা কাব্য* কবিৰাজ চক্ৰৱৰ্তীয়ে ৰচনা কৰিছিল।

(গ) ৰঘুনাথ মহন্তই ৰচনা কৰা উল্লেখযোগ্য পুথিখন হ'ল *কথা ৰামায়ণ*।

(ঘ) অনন্ত আচাৰ্যই ৰৰৰাণী ফুলেশ্বৰী কুঁৱৰী আৰু স্বৰ্গদেও শিৱসিংহৰ পৃষ্ঠপোষকতা লাভ কৰিছিল।

.....

১৪.৩.৩ ব্যৱহাৰিক সাহিত্য

শংকৰোত্তৰ যুগৰ ঐশ্বৰ্যশালী সাহিত্যৰাজিৰ ভিতৰত ব্যৱহাৰিক সাহিত্যৰ বিশেষ ভূমিকা আছে। প্ৰকৃততে চৰিত সাহিত্য, বুৰঞ্জী সাহিত্যৰ দৰে মধ্যযুগত ৰচিত ইও এবিধ বিশেষ শ্ৰেণীৰ সাহিত্য। এইবিধ সাহিত্য ব্যৱহাৰিক জ্ঞান-শাস্ত্ৰমূলক। গদ্য-পদ্য উভয়তে ৰচিত এইবিধ সাহিত্যৰ ভিতৰুৱা কেইবাখনিও সংস্কৃত গ্ৰন্থ অসমীয়ালৈ অনূদিত হৈছে। আয়ুৰ্বেদ শাস্ত্ৰ, নিদান, জ্যোতিষ, অংক-আর্যা, নৃত্য-গীত, গৃহ নিৰ্মাণ আদি বিষয়ৰ গ্ৰন্থৰাজি ব্যৱহাৰিক সাহিত্যৰ অন্তৰ্গত। অষ্টাদশ শতিকাত এই ব্যৱহাৰিক জ্ঞান শাস্ত্ৰৰ কেইবাখনো পুথি ৰচিত হয়। অসমীয়া ভাষা সাহিত্যৰ ক্ৰমোন্নতিত ইবিলাকৰ বিশেষ ভূমিকা আছে। অসমৰ ব্যৱহাৰিক সাহিত্য সম্পৰ্কে বিৰিঞ্চিকুমাৰ বৰুৱাই *অসমীয়া কথা সাহিত্য, পুৰণি ভাগত* আগবঢ়োৱা মন্তব্যটি এই ক্ষেত্ৰত তাৎপৰ্যপূৰ্ণ — "...বিজ্ঞানৰ বিষয়বস্তুৰ ব্যাখ্যাৰ নিমিত্তে উপযোগী পোনপটীয়া বাক্যৰীতিৰ ব্যৱহাৰ এই ৰচনাৱলীত আছে। সেই একে কাৰণেই অর্থৰ দুৰ্বোধ্যতা অথবা অর্থৰ অস্পষ্টতা দোষৰ পৰা এই গ্ৰন্থসমূহ ভালেখিনি মুক্ত। সাহিত্যিক সৌন্দর্য আৰু গদ্য ৰচনা কৌশলৰ কথা এৰিও অসমীয়া কথা সাহিত্যৰ বুৰঞ্জীত এই গ্ৰন্থৰাজিৰ বিশেষ স্থান আছে।" কেইখনমান উল্লেখযোগ্য ব্যৱহাৰিক সাহিত্যৰ গ্ৰন্থ হ'ল—

১) *হস্তীবিদ্যার্ণৱ* ঃ সুকুমাৰ বৰকাথ
২) *ঘোঁৰা নিদান* ঃ সুকুমাৰ বৰকাথ
৩) *ভাস্বতী* ঃ কবিৰাজ চক্ৰৱৰ্তী
৪) *শ্ৰীহস্তমুক্তাৱলী* ঃ শুভংকৰ
৫) *অঙ্কৰ আর্যা* ঃ কাশিনাথ
৬) *হিতোপদেশ* ঃ বাগীশ দ্বিজ
৭) *কামৰত্ন তন্ত্ৰ* ঃ সুচান্দ ওজা
৮) *নীতি-লতাঙ্কুৰ* ঃ মধুমিশ্ৰ বাগীশ
৯) *জ্যোতিষ চূড়ামণি* ঃ চূড়ামণি
১০) *লীলাৱতী* ঃ কবিৰত্ন দ্বিজ
১১) *কিতাৱৎ মঞ্জৰী* ঃ বকুল কায়স্থ, আদি।

ব্যৱহাৰিক সাহিত্যৰ সকলোখিনি গ্ৰন্থ পোহৰলৈ আহিছে বুলি এতিয়াও ক'ব নোৱাৰি। অনেক ৰচনা হয়তো এতিয়াও সাঁচিপাততে আবদ্ধ হৈ আছে। বৰ্তমানলৈকে পোহৰলৈ অহা ব্যৱহাৰিক সাহিত্যৰাজিৰ ভাষাই সেইযুগৰ ভাষা ৰীতিৰ বৈশিষ্ট্য বহন কৰিছে।

সুকুমাৰ বৰকাথৰ সচিত্ৰ *হস্তীবিদ্যার্ণৱ, ঘোঁৰানিদান* আৰু কবিৰাজ চক্ৰৱৰ্তীৰ জ্যোতিষ সম্পৰ্কীয় কথা গ্ৰন্থ *ভাস্বতী* মহাৰাজ ৰুদ্ৰসিংহ আৰু শিৱসিংহৰ ৰাজত্বকালত

অসমীয়া গদ্যত ৰচিত উল্লেখযোগ্য ব্যৱহাৰিক জ্ঞানৰ পুথি। ইয়াৰে *হস্তীবিদ্যার্ণৱ*ৰ ভাষাৰ লগত বুৰঞ্জীৰ ভাষা একে। উদাহৰণস্বৰূপে — "পর্বতৰ পৰা ওলাই আহি সোণৰ শৰ পহুৰে পানীৰ মুখত কটালি খালেহি। সেই পহুৰে পৰা কতো দিম থাকি দঁতাল-মাখুন্দী ছটা হাতী হৈ হাবিৰ বন-পছলা খাই ফুৰে, সকল জুৰিএ গুজৰি ফুৰে। তাৰপৰা অনেক লাখ বিলাখ হাতী হ'ল।"

হস্তীবিদ্যার্ণৱ গ্ৰন্থখন শম্ভুনাথ প্ৰণীত *গজেন্দ্ৰ-চিন্তামণি* নামৰ সংস্কৃত গ্ৰন্থৰ ভিত্তিত প্ৰতিষ্ঠিত। এই গ্ৰন্থ ৰজা শিৱসিংহ আৰু ৰাণী অম্বিকাদেৱীৰ আদেশত সুকুমাৰ বৰকাথে ১৭৩৪ খ্ৰীষ্টাব্দত ৰচনা কৰে। হাতীৰ নানাবিধ শ্ৰেণীবিভাগ, হাতীৰ প্ৰকৃতি, ইয়াক বশ কৰাৰ কৌশল পদ্ধতি, হাতীৰ বেমাৰৰ চিকিৎসা পদ্ধতি আদি বিভিন্ন কথা এই গ্ৰন্থখনৰ মূল বিষয়বস্তু। এই পুথিখনৰ অন্তৰ্গত ছবিবোৰ দুজন মোগল শিল্পীয়ে আঁকিছিল। তেওঁলোকৰ নাম দিলবৰ আৰু দোচাই। এই ছবিবোৰ বিশেষ ধৰণৰ কলা নিপুণতাৰ পৰিচায়ক হোৱাৰ উপৰি ঐতিহাসিক দৃষ্টিকোণৰ পৰাও মূল্যৱান। একেদৰে অসমীয়া গদ্যত ৰচিত ব্যৱহাৰিক জ্ঞানৰ আন এখন উল্লেখনীয় পুথি হৈছে *ঘোঁৰা-নিদান*। ইয়াৰ ৰচনাৰ সময় সঠিকভাৱে জনা নাযায় যদিও ইয়াৰ ভাষাৰ পৰাই বুজা যায় যে ইও আহোম ৰাজত্বৰ শেষৰ ফালে— সম্ভৱতঃ ১৮ শ শতিকাৰ ভিতৰত ৰচিত। ঘোঁৰাৰ শ্ৰেণী, প্ৰকৃতি, বেমাৰ, চিকিৎসা আদি বৈষয়িক কথাবোৰ এই পুথিৰ বিষয়বস্তু। পুথিখনিৰ আৰম্ভণিতে আছে — "অথ গোঁৰাৰ লক্ষণ। টাঙ্গনৰ তিনি জাতি। টাটুকীৰ তিনি জাতি। টাটুকীৰ বুকু বহল, ডিঙ্গি ডাঙ্গঁৰ। তাজীৰ বুকু চেপ, ডিঙ্গি সৰু। কিয় ভাল আচোৱাৰি হ'লে বিচাৰি পাব।"

এইবোৰ গ্ৰন্থ ৰজাঘৰীয়া অনুপ্ৰেৰণাত ৰচিত হৈছিল আৰু ব্যৱহাৰিক বিষয়ৰ পুথি কাৰণেই ব্যৱহাৰিক ভাষাৰ প্ৰয়োগ এইবোৰত লক্ষ্য কৰা যায়।

শতানন্দ ভট্টাচাৰ্যই সংস্কৃতত ৰচনা কৰা জ্যোতিষ শাস্ত্ৰ *ভাস্বতী*ৰ অসমীয়া গদ্যানুবাদ হৈছে কবিৰাজ চক্ৰৱৰ্তীৰ *ভাস্বতী*। এই অনূদিত গ্ৰন্থখন মূল গ্ৰন্থতকৈ চুটি যদিও ইয়াৰ মাজত জ্যোতিষ শাস্ত্ৰৰ বিভিন্ন কথা সোমাই আছে। একেদৰে আন এখন উল্লেখযোগ্য ব্যৱহাৰিক জ্ঞান সম্বলিত গ্ৰন্থ হৈছে *শ্ৰীহস্তমুক্তাৱলী*। সংস্কৃত শ্লোকত ৰচিত *শ্ৰীহস্তমুক্তাৱলী*ৰ প্ৰণেতা শুভংকৰ। অসমৰ উপৰি বংগদেশ আৰু মিথিলায়ো এইজনা কবিক নিজৰ বুলি দাবী কৰে। আউনীআটী সত্ৰত পূৰ্ণৰূপৰ *শ্ৰীহস্তমুক্তাৱলী*খন পোৱাৰ পৰা শুভংকৰক অসমৰ বুলি দাবী কৰাৰ অধিক থল আছে। পুথিখনৰ অসমীয়া অনুবাদটি খ্ৰীষ্টীয় সপ্তদশ শতিকাৰ শেষ বা অষ্টাদশ শতিকাৰ প্ৰথমার্ধৰ ভিতৰৰ সৃষ্টি। *শ্ৰীহস্তমুক্তাৱলী*ৰ অসমীয়া অনুবাদে পুৰণি কালত অসমত সংগীত শাস্ত্ৰৰ প্ৰচলনৰ কথাটি সুন্দৰভাৱে প্ৰমাণ কৰে। এই গ্ৰন্থখন নৃত্য আৰু নৃত্যৰ মুদ্ৰা বিষয়ক এখনি প্ৰামাণিক গ্ৰন্থ। হস্তৰ অসংযুক্ত, সংযুক্ত আৰু নৃত্য-হস্ত— এই তিনিভাগৰ গোটেইবোৰ কথা ইয়াত বৰ্ণিত হৈছে। পুথিখনত মুঠতে ৯১৬ টা শ্লোক আছে।

সেইদৰে কমলেশ্বৰ সিংহৰ দিনত বাগীশ দ্বিজে *হিতোপদেশ* অসমীয়া পদলৈ অনুবাদ কৰে। এওঁৰে সম্ভৱতঃ কামন্দকীয় নীতিশাস্ত্ৰৰ সংগ্ৰহ *নীতি-লতাঙ্কুৰ*। আউনীআটী সত্ৰৰ ষষ্ঠ অধিকাৰ প্ৰাণহৰিদেৱৰ দিনৰ মধুমিশ্ৰ বাগীশে দুৱৰা বংশৰ হৰনাথ ভিতৰুৱাল ফুকনৰ অনুপ্ৰেৰণাত *নীতি-লতাঙ্কুৰ* ৰচনা কৰে বুলি আউনীআটী সত্ৰৰ বুৰঞ্জীত খৰচি মাৰি আলোচনা কৰিছে। এই *নীতি-লতাঙ্কুৰ* গ্ৰন্থৰ মূল পাঠসমূহ সংস্কৃতত আছে; কিন্তু তাৰ ভাঙনিসমূহ অসমীয়া গদ্যৰ বিশুদ্ধ চানেকী। এই গ্ৰন্থৰ গদ্যও বুৰঞ্জীৰ গদ্যৰ সমপৰ্যায়ৰ।

*কামৰত্ন তন্ত্ৰ*ও হৈছে একে নামৰে সংস্কৃত শ্লোকৰ এখন গ্ৰন্থৰ অসমীয়া গদ্যানুবাদ। মূল গ্ৰন্থখনৰ ৰচক গোৰখ নাথ। ইয়াৰ অসমীয়া অনুবাদকজনৰ নাম সুচান্দ ওজা। শিৱ-পাৰ্বতীৰ কথোপকথনৰ মাজেদি এই পুথিৰ বিষয়বস্তু প্ৰকাশিত হৈছে। বিশেষকৈ এই পুথিখনত স্তম্ভন, বশীকৰণ, মাৰণ, উৎচাটন আদি তান্ত্ৰিক কথাবোৰ আৰু সাধন প্ৰণালীৰ বিৱৰণ দিয়া হৈছে। পুথিখনিৰ আৰম্ভণিতে আছে — "শ্ৰীকৃষ্ণায় নমঃ। অথশিৱ-পাৰ্বতী সম্বাদ। একদিনা পাৰ্বতীয়ে শঙ্কৰক সুধন্ত, প্ৰভূ কাম ৰত্ন তন্ত্ৰ মোক কহা। শঙ্কৰে কহন্ত জানা পাৰ্বতী, বশ, আকৰ্ষণ, বিদ্বেষণ, স্তম্ভণ, মাৰণ, শান্তিপুষ্টি আদি কৰি এই কৰ্ম্মসকল যে কালত যে নিয়মে কৰিব তাহক কহো।"

তদুপৰি কাশীনাথৰ *অঙ্কৰ-আমৰ্গ,* চূড়ামণিৰ *জ্যোতিষ চূড়ামণি,* কবিৰত্ন দ্বিজৰ *লীলাৱতী,* বকুল কায়স্থৰ *কিতাবৎ মঞ্জৰী* আদি ব্যৱহাৰিক সাহিত্যৰ উল্লেখযোগ্য পুথি। এই পুথিবোৰ জ্যোতিষ, গণিত আদি বিষয়ক। এই ব্যৱহাৰিক সাহিত্য বিষয়ক গ্ৰন্থবোৰ প্ৰায় ষোড়শ শতিকাৰ পৰা অষ্টাদশ শতিকাৰ ভিতৰত ৰচিত আৰু এই ব্যৱহাৰিক সাহিত্যখিনিয়ে শংকৰোত্তৰ যুগৰ সাহিত্যৰ ধাৰা হিচাপে চিহ্নিত হোৱাৰ লগতে মধ্যযুগৰ অসমীয়া গদ্য সাহিত্যৰ সুন্দৰ চানেকী বহন কৰিছে।

অসমীয়া ভাষাৰ ক্ৰমবিকাশৰ ইতিহাসত ব্যৱহাৰিক গ্ৰন্থকেইখনত প্ৰয়োগ হোৱা গদ্যৰ বিশেষ গুৰুত্ব আছে। ব্যৱহাৰিক সাহিত্যৰাজিত সততে প্ৰয়োগ হোৱা ধ্বনিগত বিশেষত্ব কেইটামান এনেধৰণৰ — 'অ'ৰ ঠাইত 'উ' — নুৱৰিয়া (নৰিয়া), 'ই'ৰ ঠাইত 'ঞি' — তাঞিকে (তাইকে), 'শ'ৰ ঠাইত 'স' — সুকুলা (শুকুলা) ইত্যাদি। ঠিক সেইদৰে ৰূপতাত্ত্বিক দিশতো কিছুমান বৈশিষ্ট্য পৰিলক্ষিত হ'ল — তঞি, মোত, মই, আমি, আপুনি আদি সৰ্বনামৰ প্ৰয়োগ; খন, টো, টা, গচ, মহা, জোৰ আদি নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ প্ৰয়োগ ইত্যাদি। ব্যৱহাৰিক সাহিত্যত সংস্কৃত আৰু অনা-সংস্কৃত শব্দ (যেনে— প্ৰভাত, তেন্তেলি, ঋতু), কামৰূপী উপভাষাৰ শব্দ (যেনে— বুলন, ৰাজা, ভিঠা), অন্যান্য দেশী আৰু বিদেশী ভাষাৰ শব্দৰ প্ৰয়োগ ঘটিছে। তদুপৰি — গৈছেন, নাকৰিলাম আদি বাংলা শব্দৰ ব্যৱহাৰো আছে। এই শ্ৰেণীৰ সাহিত্যৰ বাক্যৰ গঠন অতি চুটি, সহজ-সৰল বাক্যৰ প্ৰয়োগ বৰ্তমান, যেনে —"পাছে ৰাজাএ প্ৰভাতে পণ্ডিতৰ হতোৱাএ চোৱালে।" *(হস্তীবিদ্যাৰ্ণৱ)*



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ খালি ঠাই পূৰণ কৰক—

(ক) ব্যৱহাৰিক সাহিত্য মূলতঃ .....।

(খ) *হস্তীবিদ্যার্ণৱ* আৰু *ঘোঁৰা নিদান* ৰচনা কৰিছিল .....।

(গ) *শ্রীহস্তমুক্তাৱলী*ৰ প্রণেতা হ'ল .....।

১৪.৩.৪ অন্যান্য সাহিত্য

শংকৰোত্তৰ কালৰ সময়ছোৱাত চৰিত সাহিত্য, বুৰঞ্জী সাহিত্য, ব্যৱহাৰিক সাহিত্য, নাট্য সাহিত্য, কাব্য সাহিত্যৰ উপৰি আন আন বিবিধ সাহিত্যও ৰচিত হৈছিল। বিশেষকৈ সমসাময়িক অসমৰ বিভিন্ন স্থানত ৰাজত্ব কৰি থকা ৰজাসকল, যেনে — ৰৰাহী ৰজাসকল, কামৰূপ, কমতাৰ নৃপতিসকল, দৰঙী ৰজাসকল আৰু আহোম ৰজাসকলেও অসমীয়া সাহিত্যৰ সৃষ্টি ক্ষেত্রত বিশেষ অৱদান আগবঢ়াই গৈছে। ইতিমধ্যে আগৰটো অধ্যায়ত আমি বিভিন্ন পুৰাণ, *মহাভাৰত, ৰামায়ণ*ৰ আধাৰত ৰচিত কাব্যসমূহৰ কথা চমুকৈ উল্লেখ কৰি আহিছোঁ। সেইখিনিৰ বাহিৰেও এই সময়ছোৱাত ৰচিত হৈছিল বিভিন্ন অনুবাদমূলক ৰচনা, চুফী সাহিত্য, মন্ত্র তথা শাক্ত সাহিত্য আদি। প্রসংগক্রমে উল্লেখযোগ্য যে শংকৰোত্তৰ কালত গোপালদেৱ, ভৱানীপুৰীয়া আতা, শ্রীৰাম আতা, পৰমানন্দ আদি কবিসকলেও তেৱাসবৰ গুৰু দুজনাৰ আৰ্হিত বিবিধ গীত ৰচনা কৰিছিল।

*মহাভাৰত*কে আদি কৰি বিভিন্ন পুৰাণে অসমীয়া কবিসকলক পূর্বৰে পৰা আকৃষ্ট কৰি অহাৰ কথা আপুনি নিশ্চয় অৱগত। আমাৰ আলোচ্য সময়ছোৱাত এইবোৰৰ আধাৰত বিভিন্ন কাব্য ৰচনা কৰাৰ উপৰি বহু পুথি অসমীয়ালৈ অনুবাদো কৰা হৈছে। সেইবোৰৰ ভিতৰত *মহাভাৰত*ৰ আদি পর্ব, সভাপর্ব, বনপর্ব, বিৰাট পর্ব, উদ্যোগপর্ব, ভীষ্ম পর্ব, দ্রোণ পর্ব , কর্ণপর্ব, শল্যপর্ব, গদাপর্ব, ঐষিক পর্ব, স্ত্রীপর্ব, শান্তিপর্ব, অশ্বমেধপর্ব, আশ্রমিক পর্ব, মূষলপর্ব, মহাপ্রস্থানিক পর্ব আৰু স্বর্গাৰোহণ পর্বৰ অনুবাদ উল্লেখযোগ্য। ঠিক সেইদৰে বিষ্ণু ভাৰতীয়ে *ভাগৱত*ৰ চতুর্থ স্কন্ধৰ পৰা বিষয়বস্তু লৈ *ভাগৱত-ৰত্ন* আৰু *ধ্রুৱ চৰিত্র* নামৰ দুখন পুথি ৰচনা কৰে। গোপালচৰণ দ্বিজে তৃতীয় স্কন্ধ *ভাগৱত*ৰ ভাঙনি কৰে। কেশৱ কায়স্থই *ভাগৱত*ৰ সপ্তম স্কন্ধ (প্রহ্লাদ চৰিত্র) আৰু নৱম স্কন্ধ অনুবাদ কৰে। *নাৰদীয়-কথামৃত*ৰ আধাৰ *বৃহন্নাৰদীয় পুৰাণৰ ভক্তিতত্ত্ব* ৰচনা কৰিছিল কছাৰী ৰজা সুৰদর্পনাৰায়ণৰ পৃষ্ঠপোষকতা লাভ কৰা কবি ভুৱনেশ্বৰ বাচস্পতিয়ে। দুর্গেশ্বৰ দ্বিজে ৰাজেশ্বৰ সিংহৰ দিনত *ব্রহ্মবৈৱর্ত পুৰাণ*ৰ প্রকৃতিখণ্ড অনুবাদ কৰিছিল। ৰামনাৰায়ণ চক্রৱর্তীয়ে শিৱসিংহৰ দিনত *ব্রহ্মবৈৱর্ত পুৰাণ*ৰ 'কৃষ্ণ জন্ম খণ্ড' অনুবাদ

কৰিছিল। মন কৰিবলগীয়া যে এই সময়ৰ অনুবাদক কবিসকলে প্ৰয়োজনানুসাৰে কল্পিত কাহিনী সংযোগ কৰাৰ লগতে সততে লোকৰঞ্জনৰ দিশটোৰ প্ৰতিও গুৰুত্ব আৰোপ কৰিছিল।

শংকৰোত্তৰ কালতে অসমীয়া সাহিত্যত প্ৰৱেশ কৰে চুফীবাদৰ প্ৰভাৱ। সত্যেন্দ্ৰনাথ শৰ্মাই উল্লেখ কৰি গৈছে যে এই সময়ছোৱাতে জিকিৰ আৰু জাৰী গীতবোৰৰ উপৰি এনে কেইখনমান পুথি ৰচিত হৈছিল যিকেইখনৰ মূল উৎস ষোড়শ শতিকাৰ চুফী কবি কুতবনৰ *মৃগাৱতী* আৰু সেই শতিকাৰ কবি মঞ্চনৰ *মধুমালতী*। উদাহৰণ-স্বৰূপে ৰাম দ্বিজে *মৃগাৱতী চৰিত*, পশুপতি দ্বিজে *চন্দ্ৰাৱলী* আৰু কোনো এগৰাকী অজ্ঞাত লেখকে *মধুমালতী* ৰচনা কৰিছিল। এইকেইখনৰ ৰচনাৰ বিষয়ে সত্যেন্দ্ৰনাথ শৰ্মাই মন্তব্য কৰিছে — "এই দুখন কাব্য বৈষ্ণৱ কাব্যৰ আৰ্হিত ৰচনা কৰিছে যদিও মানৱ প্ৰেমৰেই অভিব্যক্তি দেখুৱাইছে; মূল চুফীবাদৰ প্ৰেম-সাধনাক ৰূপকৰ ছলেৰে প্ৰকাশ কৰা নাই। কাব্য দুখনত চুফীকাব্যৰ আদৰ্শও ব্যক্ত হোৱা নাই, বৈষ্ণৱ কাব্যৰ হৰিভক্তিৰ আদৰ্শয়ো প্ৰাধান্য লাভ কৰা নাই।"

এই সময়ছোৱাত সৱহ সংখ্যক আহোম ৰজাই শাক্ত ধৰ্মৰ প্ৰতি আকৃষ্ট হৈ শাক্ত ধৰ্মক ৰাজধৰ্মৰ মান্যতা প্ৰদান কৰিছিল আৰু ফলত দেৱী মাহাত্ম্য বিষয়ক গীত-পদ ৰচিত হ'বলৈ ধৰে। শিৱসিংহ আৰু ৰৱৰাজা ফুলেশ্বৰী (প্ৰমথেশ্বৰী)ৰ পৃষ্ঠপোষকতাত অনন্ত আচাৰ্যই *আনন্দ লহৰী* ৰচনা কৰিছিল। ৰুচিনাথ কন্দলিয়ে *মাৰ্কণ্ডেয় চণ্ডী* আৰু *কল্কি পুৰাণ*, ৰঙ্গনাথ চক্ৰৱৰ্তী আৰু মধুসূদন মিত্ৰৰ *মাৰ্কণ্ডেয় চণ্ডী*ৰ অনুবাদ, ৰামচন্দ্ৰ ৰৱপাত্ৰৰ *যোগিনীতন্ত্ৰ* উল্লেখযোগ্য। ইয়াৰ উপৰি এই সময়ছোৱাত ৰচিত অন্যান্য শাক্ত আৰু তন্ত্ৰ পুথিৰ ভিতৰত অজ্ঞাত কবিৰ *কালিকা পুৰাণ, গুপ্তমণি, গুপ্তসাৰ* আদিৰ নাম ল'ব পাৰি।

এই আলোচনাৰ পৰা আপুনি শংকৰোত্তৰ যুগৰ অন্যান্য সাহিত্যৰাজিৰ বিষয়েও ধাৰণা লাভ কৰিলে লগতে অনুধাৱন কৰিলে যে অসমীয়া সাহিত্যৰ ক্ৰমবিকাশৰ বুৰঞ্জীত গৌৰৱময় 'শংকৰী যুগ' আৰু 'অৰুণোদয় যুগ'ৰ মাজত অৱস্থান কৰা 'শংকৰোত্তৰ যুগ'ৰ ঐতিহাসিক গুৰুত্বও কম নহয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ শংকৰোত্তৰ কালত ৰচিত শাক্ত আৰু তন্ত্ৰ পুথি কেইখনমানৰ নাম লিখক।

.....

.....

.....



১৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- শংকৰোত্তৰ কালত অংকীয়া নাটৰ আৰ্হিত লিখা নাটৰ সংখ্যা বৃদ্ধি পায় যদিও গুণগত মান ৰক্ষা কৰিব নোৱাৰিলে। কাহিনী, কলা-কৌশল সকলো ক্ষেত্ৰত শংকৰ- মাধৱদেৱক কেৱল অনুসৰণহে কৰিলে। ফলত কোনো নতুনত্ব বা প্ৰতিভাৰ স্বাক্ষৰ এই যুগত ৰচিত নাটসমূহে দিব পৰা নাই।
- শংকৰোত্তৰ কালৰ কাব্যৰ ক্ষেত্ৰত *মহাভাৰত, ৰামায়ণ* আৰু পুৰাণসমূহৰ কাহিনীৰ আলমত বিভিন্ন কবিয়ে কাব্য ৰচনা কৰি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি তোলে।
- শংকৰোত্তৰ যুগৰ ঐশ্বৰ্যশালী সাহিত্যৰাজিৰ ভিতৰত ব্যৱহাৰিক সাহিত্যৰ বিশেষ ভূমিকা আছে। প্ৰকৃততে চৰিত সাহিত্য, বুৰঞ্জী সাহিত্যৰ দৰে মধ্যযুগত ৰচিত ইও এবিধ বিশেষ শ্ৰেণীৰ সাহিত্য। এইবিধ সাহিত্য ব্যৱহাৰিক জ্ঞান-শাস্ত্ৰ মূলক। গদ্য-পদ্য উভয়তে ৰচিত এইবিধ সাহিত্যৰ ভিতৰুৱা কেইবাখনিও সংস্কৃত গ্ৰন্থ অসমীয়ালৈ অনূদিত হৈছে। আয়ুৰ্বেদ শাস্ত্ৰ, নিদান, জ্যোতিষ, অংক-আর্যা, নৃত্য-গীত, গৃহ নিৰ্মাণ আদি বিষয়ৰ গ্ৰন্থৰাজি ব্যৱহাৰিক সাহিত্যৰ অন্তৰ্গত।
- শংকৰোত্তৰ কালৰ সময়ছোৱাত চৰিত সাহিত্য, বুৰঞ্জী সাহিত্য, ব্যৱহাৰিক সাহিত্য, নাট্য সাহিত্য, কাব্য সাহিত্যৰ উপৰি আন আন বিবিধ সাহিত্যও ৰচিত হৈছিল। এই সময়ছোৱাত ৰচিত হৈছিল বিভিন্ন অনুবাদমূলক ৰচনা, চুফী সাহিত্য, মন্ত্ৰ তথা শাক্ত সাহিত্য আদি। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে শংকৰোত্তৰ কালত গোপালদেৱ, ভৱানীপুৰীয়া আতা, শ্ৰীৰাম আতা, পৰমানন্দ আদি কবিসকলেও তেৰাসবৰ গুৰু দুজনাৰ আৰ্হিত বিবিধ গীত ৰচনা কৰিছিল।



১৪.৫ অধিক জানিবলৈ

১) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা*; গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

২) ফুকন পাটগিৰি, দীপ্তি (১৯৯৭); *মধ্যযুগৰ অসমীয়া ভাষা-সাহিত্যৰ ৰেঙনি*; গুৱাহাটী ঃ বনলতা।

৩) বৰ্মন, শিৱনাথ (সম্পাঃ) (১৯৯৭); *অসমীয়া সাহিত্যৰ বুৰঞ্জী, দ্বিতীয় খণ্ড*; গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা।

৪) শর্মা, নবীন চন্দ্র (সম্পাঃ) (১৯৯৫); *শিৱ-পুৰাণ;* গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

৫) শর্মা, সত্যেন্দ্রনাথ (২০০৯); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্রকাশ।

৬) শর্মা, হেমন্ত কুমাৰ (২০০৭); *অসমীয়া সাহিত্যত দৃষ্টিপাত;* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

৭) হাজৰিকা, পৰীক্ষিত (সম্পাঃ) (১৯৯৫); *শ্রীশ্রীচণ্ডী;* গুৱাহাটী ঃ ডালিমী প্রকাশন।

১৪.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ক) হোৱা নাছিল খ) ব্রজাৱলী গ) কংসবধ ঘ) দৈত্যাৰি ঠাকুৰ

২ নং প্রশ্নৰ উত্তৰ ঃ শংকৰোত্তৰ যুগৰ নাটসমূহত পৰিলক্ষিত হোৱা প্রধান বৈশিষ্ট্যবোৰ হ'ল— নাটৰ বিষয়বস্তু চয়নৰ ক্ষেত্রত *ভাগৱতৰ* কাহিনীৰ উপৰি *ৰামায়ণ, মহাভাৰতৰ* কাহিনীৰ লগতে বধকাব্যৰ কাহিনীসমূহেও এই যুগৰ নাট্যকাৰসকলক বিশেষভাৱে আকর্ষিত কৰে। চৰিত্র-চিত্রণৰ ক্ষেত্রতো শংকৰোত্তৰ নাটবোৰত মৌলিকতাহীনতাই দেখা দিয়ে। এনে নাটকসমূহত ব্রজাৱলী ভাষা, ধর্মীয় ভাব, নান্দী শ্লোক, মুক্তিমংগল ভটিমা আৰু অন্যান্য সংস্কৃত শ্লোকৰ প্রাধান্য হ্রাস পায়। শংকৰোত্তৰ নাটবোৰত বিলাপ-বিননি আদিৰো মাত্রা বৃদ্ধি হ'বলৈ ধৰে ইত্যাদি।

৩ নং প্রশ্নৰ উত্তৰ ঃ (ঘ) *সীতাৰ বনবাস*

৪ নং প্রশ্নৰ উত্তৰ ঃ ক) শুদ্ধ খ) শুদ্ধ গ) শুদ্ধ ঘ) শুদ্ধ

৫ নং প্রশ্নৰ উত্তৰ ঃ ক) জ্ঞান শাস্ত্রমূলক খ) সুকুমাৰ ৰৰকাথে গ) শুভংকৰ

৬ নং প্রশ্নৰ উত্তৰ ঃ অনন্ত আচার্যৰ *আনন্দ লহৰী,* ৰুচিনাথ কন্দলীৰ *মার্কণ্ডেয় চণ্ডী* আৰু *কল্কি পুৰাণ,* ৰঙ্গনাথ চক্রৱর্তী আৰু মধুসূদন মিত্রৰ *মার্কণ্ডেয় চণ্ডীৰ* অনুবাদ, ৰামচন্দ্র ৰৰপাত্রৰ *যোগিনীতন্ত্র,* অজ্ঞাত কবিৰ *কালিকা পুৰাণ, গুপ্তমণি, গুপ্তসাৰ* আদি।

১৪.৭ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ শংকৰোত্তৰ কালৰ কাব্য সাহিত্যৰ মূল আধাৰ কি কি গ্রন্থ আছিল?

প্রশ্ন ২ ঃ চুফী সাহিত্য বুলিলে কি বুজে?

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ শংকৰোত্তৰ যুগত কি কি ব্যৱহাৰিক বিষয়ৰ পুথি ৰচনা হৈছিল? সেই পুথিকেইখনিৰ নাম উল্লেখ কৰক।

প্ৰশ্ন ২ ঃ শংকৰোত্তৰ যুগৰ নাটৰ দুটা বৈশিষ্ট্য উল্লেখ কৰক।

প্ৰশ্ন ৩ ঃ চমুটোকা লিখক—

ক) *ঘোঁৰা নিদান* খ) *হস্তীবিদ্যাৰ্ণৱ*

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ শংকৰোত্তৰ যুগত ৰচিত নাট্য সাহিত্যৰ বিষয়ে বহলাই আলোচনা কৰক।

প্ৰশ্ন ২ ঃ শংকৰোত্তৰ যুগৰ কাব্য সাহিত্য সম্পৰ্কে এটি প্ৰবন্ধ লিখক।

প্ৰশ্ন ৩ ঃ শংকৰোত্তৰ যুগত ৰচিত ব্যৱহাৰিক সাহিত্যৰ বিষয়ে এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৪ ঃ শংকৰোত্তৰ যুগত ৰচিত অন্যান্য সাহিত্যৰ বিষয়ে এটি প্ৰবন্ধ যুগুত কৰক।

*** ***** ***